জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

**নং ঃ ৭৪/২০২১**

# লখিমপুৰ জিলাৰ শ'লাল গাঁৱত ভাৰতীয় ক্ৰীড়া প্ৰাধিকৰণৰ প্ৰশিক্ষণ কেন্দ্ৰ তথা ক্ৰীড়া প্ৰকল্প উদ্বোধন কৰিলে মুখ্যমন্ত্ৰী সোণোৱালে

## নৰ্থ লখিমপুৰ কলেজৰ চিনথেটিক এথ্‌লেটিক ট্ৰেকৰ শুভ উদ্বোধনৰ লগতে উত্তৰ লখিমপুৰ নগৰৰ ইনড'ৰ ষ্টেডিয়ামৰ উন্নয়নৰ আধাৰশিলা স্থাপন কৰিলে মুখ্যমন্ত্ৰীয়ে

## ক্ৰীড়াক এক বৃত্তি হিচাপে গ্ৰহণ কৰিবৰ বাবে আগবাঢ়ি আহিবলৈ নতুন প্ৰজন্মৰ প্ৰতি মুখ্যমন্ত্ৰীৰ আহ্বান

বিশ্বৰ শীৰ্ষ ১০ খন ৰাষ্ট্ৰৰ এখন হিচাপে স্থান লাভ কৰিবলৈ হ'লে উত্তৰ-পূৰ্বাঞ্চলে ২৫ ৰ পৰা ৩০ শতাংশ পদক আনিব পাৰিব লাগিব ঃ কিৰেণ ৰিজিজু

**দিছপুৰ, ৩০ জানুৱাৰী ঃ** মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে আজি কেন্দ্ৰীয় চৰকাৰৰ ক্ৰীড়া আৰু যুৱ পৰিক্ৰমা বিভাগৰ ৰাজ্যিক (স্বতন্ত্ৰ) মন্ত্ৰী কিৰেণ ৰিজিজুৰ উপস্থিতিত লখিমপুৰ জিলাৰ শ'লাল গাঁৱত ভাৰতীয় ক্ৰীড়া প্ৰাধিকৰণৰ প্ৰশিক্ষণ কেন্দ্ৰ তথা ক্ৰীড়া প্ৰকল্পৰ শুভ উদ্বোধন কৰে। বৃহৎ পৰিসৰৰ এই ক্ৰীড়া প্ৰকল্পৰ অধীনত এটা প্ৰশিক্ষণ কেন্দ্ৰ, বহুমুখী ক্ৰীড়া আন্তঃভৱন, খেলুৱৈ আৰু নিৰ্দেশকৰ আৱাস আদিকে ধৰি অন্যান্য সুবিধা উপলব্ধ হৈছে। এই অনুষ্ঠানতে মুখ্যমন্ত্ৰীয়ে আজি অসমীয়া ভাষাত নিৰ্মিত শৰীৰ চৰ্চাৰ নিৰ্দেশাৱলী পুস্তিকা এখনিও আনুষ্ঠানিকভাৱে উন্মোচন কৰে।

এই প্ৰকল্প উন্মোচন কৰি দিয়া ভাষণত মুখ্যমন্ত্ৰী সোণোৱালে কয় যে লখিমপুৰবাসীৰ বাবে আজিৰ দিনটো এটা গুৰুত্বপূৰ্ণ দিন। ভাৰতীয় ক্ৰীড়া প্ৰাধিকৰণৰ এই প্ৰকল্পৰ যোগেদি লখিমপুৰবাসীয়ে আজি এক গুৰুত্বপূৰ্ণ ক্ৰীড়া আন্তঃগাঁথনি লাভ কৰিবলৈ সক্ষম হ'ল। স্থানীয় ৰাইজক এই আন্তঃগাঁথনিৰ সৎ ব্যৱহাৰৰ আহ্বান জনাই মুখ্যমন্ত্ৰীয়ে কয় যে কেৱল লখিমপুৰ জিলাৰে নহয়, উজনি অসমৰ যুৱ প্ৰতিভাসমূহে এই আন্তঃগাঁথনিৰ সুপ্ৰয়োগ কৰি ৰাষ্ট্ৰীয় আৰু আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ৰ ক্ৰীড়া প্ৰতিযোগিতাত সফলতাৰ বতৰা কঢ়িয়াই আনিব লাগিব। ক্ৰীড়াক কেৱল এক হাঁহি-ধেমালিৰ বিষয়বস্তু নহয় বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে কয় যে ক্ৰীড়া হ'ল শান্তিৰ বাৰ্তা বাহক। ক্ৰীড়াৰ যোগেদি জীৱনত সুন্দৰ ৰূপত প্ৰতিষ্ঠা লাভ কৰিব পাৰি বুলি উল্লেখ কৰি নতুন প্ৰজন্মক তেওঁ ক্ৰীড়াক এক বৃত্তি হিচাপে গ্ৰহণ কৰিবৰ বাবে আগবাঢ়ি আহিবলৈ

আহ্বান জনায়।

বৰ্তমানৰ চৰকাৰে নতুন ক্ৰীড়া নীতি প্ৰণয়নৰ জৰিয়তে ক্ৰীড়া ক্ষেত্ৰক অন্যতম অগ্ৰাধিকাৰ প্ৰদান কৰিছে বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে কয় যে বিভিন্ন গুৰুত্বপূৰ্ণ আন্তঃৰাষ্ট্ৰীয় প্ৰতিযোগিতাত পদক বুটলিবলৈ সক্ষম হোৱা খেলুৱৈসকলক চৰকাৰে নগদ ধন প্ৰদানৰ লগতে ৰাজ্য চৰকাৰৰ প্ৰথম শ্ৰেণীৰ বিষয়াৰ পদত নিযুক্তি প্ৰদান কৰাৰ নীতি গ্ৰহণ কৰিছে। ৰাজ্যৰ অন্যতম ক্ৰীড়া প্ৰতিভা হিমা দাসক তেওঁ অৰ্জন কৰা বিভিন্ন পদকৰ বাবে এই পৰ্যন্ত ৰাজ্য চৰকাৰে ১ কোটি ৬০ লাখ টকা নগদ ধন প্ৰদান কৰাৰ লগতে উপ-আৰক্ষী অধীক্ষক পদত নিযুক্তি প্ৰদানৰ ব্যৱস্থা কৰিছে। এই পদক্ষেপে ৰাজ্যখনৰ উদীয়মান ক্ৰীড়া প্ৰতিভা সমূহক দুগুণ উৎসাহেৰে আত্মনিয়োগ কৰাৰ প্ৰেৰণা প্ৰদান কৰিছে বুলি তেওঁ কয়। আজি অসমৰ খেলুৱৈসকলে ৰাষ্ট্ৰীয় আৰু আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ৰ বিভিন্ন প্ৰতিযোগিতাত সফলতা বুটলিবলৈ সক্ষম হৈছে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ২০২৮ চনত আমেৰিকা যুক্তৰাষ্ট্ৰৰ লছ্ এঞ্জেলচত অনুষ্ঠিত হ'বলগীয়া অলিম্পিকত আমাৰ দেশক শীৰ্ষ ১০ খন ৰাষ্ট্ৰৰ এখন হিচাপে পৰিগণিত হোৱাৰ যি লক্ষ্য নিৰ্দ্ধাৰণ কৰি দিছে এই লক্ষ্যত উপনীত হ'বলৈ হ'লে লখিমপুৰৰ খেলুৱৈসকলেও ইন্ধন যোগাব লাগিব বুলি মুখ্যমন্ত্ৰীয়ে কয়।

অনুষ্ঠানত ভাষণ প্ৰদান কৰি কেন্দ্ৰীয় ক্ৰীড়া আৰু যুৱ পৰিক্ৰমা মন্ত্ৰালয়ৰ ৰাজ্যিক (স্বতন্ত্ৰ) মন্ত্ৰী কিৰেণ ৰিজিজুৱে কয় যে ক্ৰীড়া হৈছে এক জীৱন শৈলী, ক্ৰীড়া আমাৰ জীৱনৰ এক গুৰুত্বপূৰ্ণ উপাদান। লখিমপুৰ জিলাত ভাৰতীয় ক্ৰীড়া প্ৰাধিকৰণে গঢ়ি তোলা এই বৃহৎ ক্ৰীড়া আন্তঃগাঁথনিয়ে লখিমপুৰক উত্তৰ অসমৰ ক্ৰীড়াৰ অভিকেন্দ্ৰ হিচাপে পৰিগণিত হোৱাত সহায় কৰিব বুলি তেওঁ কয়। চুবুৰীয়া ৰাজ্য অৰুণাচলৰ সন্তান হিচাপে অসমৰ প্ৰতি তেওঁৰ সদায়ে আন্তৰিকতা আছে বুলি উল্লেখ কৰি কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে কয় যে এই ক্ৰীড়া আন্তঃগাঁথনিৰ লগতে ৰাজ্যখনৰ ক্ৰীড়াৰ সৰ্বাংগীন বিকাশৰ দিশত তেওঁৰ মন্ত্ৰালয়ে অনাগত দিনসমূহতো সকলোধৰণৰ সহায়-সহযোগিতা আগবঢ়াই যাব। আজি উদ্বোধন কৰা এই ক্ৰীড়া প্ৰকল্পত অচিৰেই আৰু দুই-তিনিটা ক্ৰীড়া উপাদান সংলগ্ন কৰা হ'ব বুলিও তেওঁ ঘোষণা কৰে।

অলিম্পিকত বিশ্বৰ শীৰ্ষ ১০ খন ৰাষ্ট্ৰৰ এখন হিচাপে স্থান লাভ কৰিবলৈ হ'লে উত্তৰ-পূৰ্বাঞ্চলে ২৫ ৰ পৰা ৩০ শতাংশ পদক আনিব পাৰিব লাগিব বুলি উল্লেখ কৰি কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে কয় যে তাৰ বাবে প্ৰস্তুতি ইতিমধ্যে আৰম্ভ হৈছে। উজনি অসম ক্ৰীড়া প্ৰতিভাৰে ভৰি আছে বুলি উল্লেখ কৰি তেওঁ কয় যে আজি উদ্বোধন কৰা এই আন্তঃগাঁথনিয়ে এই দিশত আৰু এখোজ আগুৱাই যোৱাত বিশেষভাৱে সহায় কৰিব।

মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালক এগৰাকী উৎসৰ্গিকৃত মুখ্যমন্ত্ৰী বুলি উল্লেখ কৰি কেন্দ্ৰীয় মন্ত্ৰী ৰিজিজুৱে কয় যে সোণোৱালক মুখ্যমন্ত্ৰী হিচাপে লাভ কৰাৰ পিছত অসম ৰাজ্যখনে সৰ্বভাৰতীয় পৰ্যায়ত নিজৰ ভাৱমূৰ্তিৰ ক্ষেত্ৰত এক নতুন উচ্চতা লাভ কৰিলে। এনে এগৰাকী নেতা লাভ কৰি অসমবাসী সৌভাগ্যৱান বুলি তেওঁ মন্তব্য কৰে। মুখ্যমন্ত্ৰী সোণোৱালৰ নেতৃত্বত অসমৰ প্ৰতিখন জিলাৰে ক্ৰীড়া আন্তঃগাঁথনিৰ বিকাশে এক নতুন মাত্ৰা লাভ কৰিছে বুলিও মন্ত্ৰীগৰাকীয়ে কয়।

# জনসংযোগ, অসম
# মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
# প্ৰেছ বাৰ্তা

আজিৰ এই অনুষ্ঠানত লখিমুৰৰ সাংসদ প্ৰদান বৰুৱা, স্থানীয় বিধায়ক উৎপল দত্ত, ভাৰতীয় ক্ৰীড়া প্ৰাধিকৰণৰ আঞ্চলিক সঞ্চালকদ্বয় সুভাষ বসুমতাৰী আৰু শিৱ শৰ্মা, লখিমপুৰৰ উপায়ুক্ত ড° জীৱন বি, সমাজকৰ্মী মানৱ ডেকা আৰু ফণীধৰ বৰুৱাৰ লগতে বহুসংখ্যক খেলুৱৈ, প্ৰশিক্ষক তথা স্থানীয় ৰাইজ উপস্থিত থাকে।

এই অনুষ্ঠানৰ পূৰ্বে মুখ্যমন্ত্ৰীয়ে চি আই ডি এফ আঁচনিৰ অধীনত নিৰ্মাণ হ'বলগীয়া উত্তৰ লখিমপুৰ চহৰৰ ইনড'ৰ ষ্টেডিয়ামৰ উন্নয়ন আৰু নৱীকৰণ কাৰ্যৰ আধাৰশিলা স্থাপন কৰে। ইয়াৰ পিছতে মুখ্যমন্ত্ৰীয়ে নৰ্থ লখিমপুৰ মহাবিদ্যালয়ৰ খেলপথাৰত ভাৰত চৰকাৰৰ ক্ৰীড়া আৰু যুৱ পৰিক্ৰমা মন্ত্ৰালয়ৰ নগৰ ক্ৰীড়া আন্তঃগাঁথনি আঁচনিৰ অধীনত নিৰ্মিত চিনথেটিক এথ্‌লেটিক ট্ৰেকৰো শুভ উদ্বোধন কৰে। এই দুয়োটা অনুষ্ঠানতে কেন্দ্ৰীয় মন্ত্ৰী কিৰেণ ৰিজিজু, সাংসদ প্ৰদান বৰুৱা আৰু স্থানীয় বিধায়ক উৎপদ দত্তও উপস্থিত থাকে।

**প্ৰঃকুঃবঃ**
**৩০/০১/২০২১**

**Website:** cm.assam.gov.in/assam.mygov.in **E-mail:** cmprcell09@gmail.com
/CMOfficeAssam / /cmofficeassam cmassam.prcell@gov.in